# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-12-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
-------------------

১। মণিপুৰৰ হস্তশিল্প, উদ্যান শস্য আৰু সৌৰ শক্তিৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ বাবে কেইবাগৰাকীও ব্যক্তিক প্ৰধানমন্ত্ৰীৰ মন কী বাতত প্ৰশংসা।

২। কেন্দ্ৰীয় অমিত শ্বাহৰ আজি নিশা অসম আগমন। কাইলৈ বটদ্ৰবা প্ৰকল্প আৰু গুৱাহাটী আৰক্ষী আয়ুক্তালয় উদ্বোধন।

৩। খানাপাৰাত অনুষ্ঠিত অসম গ্ৰন্থমেলাত আজি শিশুৰ দিন উদযাপন।

৪। বছৰৰ শেষৰটো দেওবাৰ উদযাপনৰ বাবে ৰাজ্যৰ বনভোজ থলীসমূহত শীতকো নেওচি অগণন লোকৰ সমাগম। *আৰু*

৫। অস্মিতা পূব মণ্ডল হকী লীগৰ জুনিয়ৰ শাখাৰ আজিৰ খেলত ত্ৰিপুৰাৰ বিৰুদ্ধে অসমৰ ১৯-০ গ'লৰ বৃহৎ ব্যৱধানত জয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাতৰ ১২৯ সংখ্যক খণ্ডত মণিপুৰৰ হস্তশিল্প, উদ্যান শস্য আৰু সৌৰ শক্তিৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ বাবে কেইবাগৰাকীও ব্যক্তিক প্ৰশংসা কৰে। ৰাজ্যখনৰ উদ্যোগী মৈৰাংথেম শেঠৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে বিশেষভাৱে উল্লেখ কৰে। ৰাজ্যখনৰ এখন প্ৰান্তীয় গাঁৱৰ এই লোকজনৰ প্ৰচেষ্টাত অঞ্চলটোত সৌৰশক্তি উৎপাদনৰ ক্ষেত্ৰত লোৱা পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰীয়ে শলাগ লয়। তেওঁৰ এই প্ৰচেষ্টাৰ ফলত অঞ্চলটোত কেইবাশ পৰিয়ালে সৌৰশক্তি উৎপাদন তথা ব্যৱহাৰ কৰাৰ লগতে বহুতো স্বাস্থ্য সেৱা কেন্দ্ৰও সৌৰশক্তি ব্যৱহাৰৰ উপযোগী হৈ উঠিছে। একেদৰে, ৰাজ্যখনৰ সেনাপতি জিলাৰ ছোখনে কৃশ্বেনাৰ পৰিয়ালে পৰম্পৰাগতভাৱে কৰি অহা ফুল খেতি আৰু চূড়াচান্দপুৰ জিলাৰ মাৰ্গাৰেট ৰামথাৰজিয়েমে বাঁহ আৰু কাঠেৰে প্ৰস্তুত কৰা হস্তশিল্প সামগ্ৰীয়ে দেশৰ বিভিন্ন প্ৰান্তৰ বজাৰ দখল কৰাৰ বিষয়েও উল্লেখ কৰে।

-বাইট-

ভাৰতে চলিত বৰ্ষত ৰাষ্ট্ৰীয় সুৰক্ষাৰ পৰা ক্ৰীড়া ক্ষেত্ৰলৈকে, বিজ্ঞান পৰীক্ষাগাৰৰ পৰা বৃহৎ মঞ্চলৈকে বিভিন্ন ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত শক্তিশালী স্থিতিত উপনীত হৈছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০২৫ বৰ্ষটোৰ বিষয়ে আলোকপাত কৰি কয়, যে বছৰটোৱে প্ৰতিজন ভাৰতীয়কে গৌৰৱ অনুভৱ কৰিব পৰাকৈ যথেষ্ট স্মৃতি দি গৈছে। অপাৰেচন সিন্দুৰ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱ কৰিব পৰা আটাইতকৈ উল্লেখনীয় মুহূৰ্ত বুলি প্ৰধানমন্ত্ৰীয়ে মত পোষণ কৰে।

বন্দে মাতৰমৰ ১৫০ বছৰীয়া উদযাপনত দেশবাসীৰ স্পৃহা আৰু উদ্যমৰ প্ৰধানমন্ত্ৰীয়ে শলাগ লয়। ক্ৰীড়াৰ দিশতো ২০২৫ চনটো উল্লেখনীয় আছিল বুলি তেওঁ কয়। ভাৰতীয় পুৰুষ ক্ৰিকেট দলৰ আই চি চি চেম্পিয়নছ ট্ৰফী দখল আৰু মহিলা ক্ৰিকেট দলৰ প্ৰথমবাৰৰ বাবে বিশ্বকাপে দখলে দেশবাসীক উৎসাহিত কৰাৰ কথা শ্ৰীমোদীয়ে উল্লেখ কৰে। মহিলাৰ দৃষ্টিহীন টি-২০ বিশ্বকাপত ভাৰতীয় দলে খিতাপ দখলেৰে যি ইতিহাস ৰচিলে তাৰবাবে প্ৰধানমন্ত্ৰীয়ে প্ৰতিগৰাকীয়ে খেলুৱৈকে প্ৰশংসা কৰে। বিশ্ব চেম্পিয়নশ্বিপৰ বিভিন্ন শিতানত পদক লাভ কৰা পেৰা এথলিটসকলকো তেওঁ অভিনন্দন জনায়।

বিজ্ঞান আৰু মহাকাশ গৱেষণাৰ ক্ষেত্ৰত ভাৰতে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলিও তেওঁ প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এটা শক্তিশালী যুৱ শক্তিৰ বাবে বিশ্বৰ বুকুত ভাৰতে আজি উল্লেখনীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে। বিজ্ঞান, নতুন উদ্ভাৱন আৰু প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত ভাৰতে লাভ কৰা সফলতাৰ বাবে এয়া সম্ভৱপৰ হৈছে বুলি তেওঁ কয়। যুৱ সমাজক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে অহা ১২ জানুৱাৰীত ৰাষ্ট্ৰীয় যুৱ দিৱসৰ দিনাই Young Leaders Dialogue অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানতটোত যুৱ সমাজৰ বৰ্ধিত অংশগ্ৰহণৰ শলাগ লয়।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ভ্ৰমণকালত শ্ৰীশ্বাহে গুৱাহাটী আৰু বটদ্ৰবাত কেইবাটাও  গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ কাইলৈ নগাঁও জিলাৰ বটদ্ৰৱাত অসম চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

গৃহমন্ত্ৰীগৰাকীৰ উপস্থিতিত বটদ্ৰবা প্ৰকল্প উদ্বোধনী অনুষ্ঠানৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ঐতিহ্যমণ্ডিত আকাশীগংগাৰ তীৰত নিৰ্মাণ কৰা বটদ্ৰবা সাংস্কৃতিক প্ৰকল্পথলীত উখল মাখল পৰিবেশৰ সৃষ্টি হৈছে। অঞ্চলটোৰ ৰাইজে গৃহমন্ত্ৰীগৰাকীক আদৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বটদ্ৰবা প্ৰকল্পস্থলী পৰিদৰ্শন কৰি কাইলৈ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। প্ৰায় ২২২ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা বটদ্ৰবা সাংস্কৃতিক প্ৰকল্প কাইলৈ উদ্বোধন কৰা হ'ব যদিও জনতাৰ বাবে ১ ফেব্ৰুৱাৰীত মুকলি কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। বটদ্ৰবা সাংস্কৃতিক প্ৰকল্প, গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ পৰিচালনা সমিতিয়ে পৰিচালনা কৰিব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত শ্ৰীশ্বাহৰ ভ্ৰমণ সন্দৰ্ভত এইদৰে কয় -

-বাইট-

মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শন কালত মন্ত্ৰী কেশৱ মহন্ত, পীযুষ হাজৰিকা, বিমল বৰাৰ উপৰি জিলা আয়ুক্ত দেৱাশীষ শৰ্মা আৰু উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

গৃহমন্ত্ৰী শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্তালয় আৰু খানাপাৰাত নৱ নিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ বিয়লি ৪ বজাত আয়োজিত এটা অনুষ্ঠানত প্ৰেক্ষাগৃহটো উদ্বোধন কৰিব।  এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, বহু খলপীয়া গাড়ী ৰখোৱা স্থান, উদ্যান, ফুডকোৰ্ট ইত্যাদি থাকিব। আনহাতে, আৰক্ষী আয়ুক্তালয়ৰ নৱনিৰ্মিত ৮ মহলীয়া ভৱনটো উন্নত প্ৰযুক্তিৰে সজ্জিত কৰা হৈছে। ইয়াত অন্যান্য সা-সুবিধাৰ লগতে গুৱাহাটী স্মাৰ্ট ছিটি প্ৰকল্পৰ জৰিয়তে নিৰ্মিত মহানগৰীৰ দুহেজাৰৰো অধিক চি চি টিভি নিৰীক্ষণৰে সমৃদ্ধ সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কেন্দ্ৰ থাকিব। ভৱনটোৰ চতুৰ্থ মহলাত থকা এই কেন্দ্ৰটো গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। আয়ুক্তালয় উদ্বোধনৰ পাছতে শ্ৰীশ্বাহে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰিব। অসম আৰক্ষীয়ে এই ক্ষেত্ৰত লাভ কৰা  সফলতাসমূহ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক অৱগত কৰোৱা হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থমেলাত আজি বছৰৰ অন্তিমটো দেওবাৰে গ্ৰন্থপ্ৰেমীৰ সমাবেশত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে। গ্ৰন্থ মেলাৰ আজি পঞ্চম দিনটো **শিশুৰ দিন** হিচাপে উদযাপন কৰা হয়। পুৱা বিশিষ্ট শিশু সাহিত্যিক বন্দিতা ফুকনে শিশুসকলৰ অনুষ্ঠান মুকলি কৰি শিশুসকলক নম্বৰৰ পিছত দৌৰা যন্ত্ৰ নকৰিবলৈ অভিভাৱকসকলৰ প্ৰতি আহ্বান জনায়। পুৱা চাৰে ৯ বজাত শিশুসকলৰ কবিতা আবৃত্তিৰে খানাপাৰাৰ

বাকৰি মুখৰিত হৈ পৰে। দিনৰ চাৰে ১১ বজাত আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি ২ বজাত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে জুবিন গাৰ্গ সোঁৱৰণি অস্থায়ী প্ৰেক্ষাগৃহত মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই প্ৰতিযোগিতাসমূহে অসম গ্ৰন্থমেলাৰ পৰিবেশ আকৰ্ষণীয় পৰ্যায়লৈ উন্নীত কৰে।

কবিতা আবৃত্তি প্ৰতিযোগিতাৰ ক শাখাত ধ্যানশী ভৰদ্বাজে প্ৰথম, ৰাহুল বৰাই দ্বিতীয় আৰু আকাংক্ষা চামাই ৰায় তৃতীয় পুৰস্কাৰ লাভ কৰে। আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ক শাখাত অভিৰূপ আকাশ চাণ্ডিল্যই প্ৰথম, দৰ্শিল কুমাৰ বৰুৱাই দ্বিতীয় আৰু পুৰ্বাঞ্চী দাসে তৃতীয় স্থান দখল কৰে। অহা ৬ জানুৱাৰীত গ্ৰন্থমেলাৰ সামৰণি অনুষ্ঠানৰ দিনা বিভিন্ন প্ৰতিযোগিতাৰ বঁটা বিতৰণি কৰা হ'ব।

সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান আৰু **অন্তৰংগ আলাপ** অনুষ্ঠান অনুষ্ঠিত হয়। বিশিষ্ট লেখক, চিত্ৰনাট্যকাৰ, কবি, গীতিকাৰ অক্ষত গুপ্তাই **অন্তৰংগ আলাপ** অনুষ্ঠান মুকলি কৰে। এই অনুষ্ঠান পৰিচালনা কৰে বিশিষ্ট লেখক, সাংবাদিক তথা নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° সমুদ্ৰগুপ্ত কাশ্যপে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বনভোজস্থলীসমূহত আজি বনভোজ দলৰ ব্যাপক সমাগম পৰিলক্ষিত হয়। আজি বছৰটোৰ অন্তিমটো দেওবাৰ হোৱা হেতুকে ৰাজ্যৰ বিভিন্ন বনভোজস্থলী আৰু পৰ্যটনস্থানসমূহত আনন্দৰে দিনটো অতিবাহিত কৰিবলৈ বহুলোকে ভিৰ কৰে। গুৱাহাটী মহানগৰী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলসমূহত জাৰকো নেওচি অগণন লোকে প্ৰাকৃতিক পৰিৱেশত একগোট হৈ বনভোজৰ আনন্দ উপভোগ কৰে। নুনমাটিৰ চুণশালী, বশিষ্ঠ, টেঘেৰীয়া, ৰাণী, দীপৰবিল, চন্দ্ৰপুৰ, হাতিশিলাৰ উপৰি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ বনভোজস্থলীসমূহত আজি বহু লোক সমবেত হয়। মৰিগাঁৱৰ পবিতৰা, চনকা, নগাঁৱৰ আকাশীগংগা, শিৱসাগৰৰ ঐতিহ্যমণ্ডিত স্থানসমূহৰ লগতে দিচাংমুখতো আজি বিভিন্ন প্ৰান্তৰ পৰা অহা বনভোজ দলসমূহে নৈসৰ্গিক পৰিৱেশত দিনটো অতিবাহিত কৰে। একেদৰে নামেৰী, কাজিৰঙা, চানডুবি, ওৰাং ৰাষ্ট্ৰীয় উদ্যানকে ধৰি বিভিন্ন স্থানসমূহতো জনসাধাৰণে ভিৰ কৰে। অৱশ্যে, বনভোজ দলসমূহ ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে মহানগৰীৰ উপকণ্ঠ অঞ্চলৰ পৰা গুৱাহাটীলৈ উভতি অহাৰ সময়ত ভীষণ যানজঁটৰ সৃষ্টি হয়। ইয়াৰ ফলত মহানগৰীৰ খানাপাৰাকে ধৰি বিভিন্ন অঞ্চলত বহু সময় ধৰি যান-বাহনসমূহ আৱদ্ধ হৈ থাকিবলগীয়া হয়। অসম ৰাজ্যিক চিৰিয়াখানাতো আজি পুৱাৰে পৰা বহু লোকৰ সমাগম হয়।

বছৰটোৰ অন্তিম দেওবাৰটো উদযাপনৰ বাবে গোৱালপাৰা জিলাৰ উৰপদ বিলৰ পাৰতো বনভোজ দল আৰু পৰ্যটকে ভিৰ কৰা পৰিলক্ষিত হয়। বিলখনলৈ বিদেশী পৰিভ্ৰমী চৰাইৰ আগমন ঘটাৰ লগে লগে পৰ্যটকৰ সংখ্যাও বৃদ্ধি হৈছে। বিলখনৰ নৈসৰ্গিক শোভা উপভোগ কৰি পৰ্যটকসকল আপ্লুত হয়। ইতিহাসপ্ৰসিদ্ধ শ্ৰীসূৰ্য পাহাৰতো আজি ভালেসংখ্যক বনভোজ দলৰ আগমন ঘটে। মানস ৰাষ্ট্ৰীয় উদ্যানতো আজি দেশী-বিদেশী পৰ্যটকৰ ভিৰ পৰিলক্ষিত হয়।

০০০০০

বিগত তিনি-চাৰিদিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰী শীতৰ কৱলত পৰিছে। আজিও গোটেই দিনটো ঘন কুঁৱলীয়ে চৌপাশ আৱৰি ৰখাৰ ফলত দূৰণিবটীয়া যাত্ৰা পথত যান-বাহন চলাচলৰ ক্ষেত্ৰতো কিছু অসুবিধাৰ সৃষ্টি হয়। মহানগৰীৰ ঠায়ে ঠায়ে জনসাধাৰণে সন্ধিয়াৰ ভাগত জুই জ্বলাই উম লোৱা পৰিলক্ষিত হৈছে। আজি মহানগৰীৰ পথসমূহত জনসাধাৰণৰ আহ-যাহ কিছু কম হোৱা পৰিলক্ষিত হয়। আজি ৰাজ্যৰ সৰ্বোচ্চ তাপমাত্ৰা ২৪ ডিগ্ৰী আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থকা বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

প্ৰচণ্ড শীত আৰু ঘন কুঁৱলীৰ বাবে দেশৰ আন কেইবাখনো ৰাজ্যৰ স্বাভাৱিক জীৱন-যাত্ৰাত ব্যাঘাত জন্মিছে। ৰে'ল বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, সমগ্ৰ উত্তৰ ভাৰতত ঘন কুঁৱলীৰ বাবে কমেও ৪৮ খন ৰে'ল পলমকৈ চলাচল কৰাবলগীয়া হৈছে। সুৰক্ষা ব্যৱস্থা হিচাপে ৰে'লৰ গতি হ্ৰাস কৰাৰ ফলত যাত্ৰীসকল ভীষণ অসুবিধাৰ সন্মুখীন হৈছে। একেদৰে, বিমান পৰিবহণ সেৱাতো বতৰৰ প্ৰতিকূল প্ৰভাৱ পৰিলক্ষিত হৈছে।

০০০০০

গোলাঘাট জিলাৰ মৰঙীৰ পোৰাবাংলাৰ জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত সদৌ অসম মইনা পাৰিজাতৰ অষ্টাদশ দ্বিবাৰ্ষিক সমাৰোহ তথা মহা-ৰজত জয়ন্তী কাৰ্য্যসূচীৰ আজি তৃতীয় দিনাও অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। যোৱা ২৬ৰ ডিচেম্বৰৰ পৰা অনুষ্ঠিত এই সমাৰোহৰ আজি তৃতীয় দিনা বাৰেবৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ৰাজ্যৰ ২২ খন জিলাৰ মইনাসকলে শোভাযাত্ৰাত অংশ লৈ ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি প্ৰতিফলিত কৰে। তেওঁলোকে হাতী-মানুহৰ সংঘাতকে ধৰি অসমৰ জ্বলন্ত সমস্যাৰ প্ৰতিও জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰে। কাইলৈ এই সমাৰোহৰ সামৰণি পৰিব। এই সন্দৰ্ভত সমাৰোহৰ এগৰাকী বিষয়ববীয়াই এইদৰে কয় -

-বাইট-

০০০০০

বিশ্বনাথ জিলাৰ বাঘমাৰীত আজি জিলা প্ৰশাসনে দখলীকৃত ভি জি আৰ ভূমিত উচ্ছেদ অভিযান চলায়। জিলা প্ৰশাসনে যোৱা আগষ্টত অঞ্চলটোৰ ভূমি দখল কৰি থকা ৭৩২ টা পৰিয়াললৈ জাননী জাৰি কৰিছিল, কিন্তু ইয়াৰে ৬৮ টা পৰিয়ালে উচ্চ ন্যায়ালয়ৰ কাষ চপাৰ বাবে উচ্ছেদ অভিযান স্থগিত ৰাখিবলগীয়া হৈছিল। প্ৰশাসনে আজি ন্যায়ালয়ৰ বিবেচনাধীন ৬৮ টা পৰিয়ালৰ বাসগৃহৰ বাহিৰে বাকী ৬৬৪ টা পৰিয়ালৰ বাসগৃহত শান্তিপূৰ্ণভাৱে উচ্ছেদ চলায়।০

০০০০০

অস্মিতা পূব মণ্ডল হকী লীগৰ জুনিয়ৰ শাখাৰ আজি অনুষ্ঠিত এখন খেলত অসমে-ত্ৰিপুৰাৰ বিৰুদ্ধে ১৯-০ গলৰ ব্যৱধানত জয় লাভ কৰে। গুৱাহাটী মহানগৰীৰ ভেটাপাৰাৰ মৌলানা মহম্মদ তৈয়বুল্লা হকী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত জয়েৰে অসমে পইণ্ট তালিকাৰ শীৰ্ষত উপনীত হৈছে। উল্লেখযোগ্য যে প্ৰথমখন খেলত অসম-বিহাৰৰ হাতত পৰাস্ত হৈছিল। প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত আন এখন খেলত ওড়িশাৰ ছোৱালী দলে বিহাৰক ৭-০ গলৰ ব্যৱধানত পৰাস্ত কৰে। অসম -ওড়িশা আৰু বিহাৰ এখনকৈ খেলত জয়ী হৈছে যদিও গলৰ গড় হিচাপত অসম শীৰ্ষ স্থানত আছে। লীগৰ অন্তিমখন খেলত অসম অহা ৩০ ডিচেম্বৰত ওড়িশাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কাইলৈ হ'বলগীয়া একমাত্ৰ খেলখনত ওড়িশাই ত্ৰিপুৰাৰ বিৰুদ্ধে খেলিব। প্ৰতিযোগিতাৰ নিয়ম অনুসৰি পইণ্ট তালিকাৰ শীৰ্ষ দল দুটা ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা টি-টুৱেণ্টী ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে সম্প্ৰতি ৩-০ ফলাফলেৰে এই পাঁচখনীয়া শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা মঙলবাৰে এই একেটা স্থানতে অনুষ্ঠিত হ'ব।

০০০০০

মৰিগাঁৱৰ ক্ষিৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত মতিৰাম বৰা সোঁৱৰণি সোণালী জয়ন্তী ফুটবল প্ৰতিযোগিতাত ডি বি আই কামৰূপ দল চেমিফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত ডি বি আই কামৰূপে - কোকৰাঝাৰ গ্লোবেল এফ চিক ৩-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। কাইলৈ প্ৰথমখন ছেমিফাইনেলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ দল - দলবাৰী যুৱ কল্যান সংঘৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত